BIKALI COLLEGE LIBRARY



**2024**

# ASSAMESE

Paper : ASS0100104

**[ Axomiya Bhasha Aru Sahityor Itihash (upto year 1826) ]**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমীয়া ভাষা মাগধী-প্ৰাকৃতৰ পৰা জন্ম হৈছে বুলি মত প্ৰকাশ কৰা এগৰাকী ভাষাবিদৰ নাম লিখা।

(খ) 'অসমীয়া সাহিত্যৰ চানেকি' নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(গ) চৰ্যাপদৰ ভাষাক বৃত্তিকাৰে কি ভাষা বুলি অভিহিত কৰিছে?

(ঘ) মাধৱ কন্দলী কোন ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য ৰচনা কৰিছিল?

(ঙ) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীত কোনটো?

BIKALI COLLEGE LIBRARY



(চ) মাধৱদেৱৰ কোনখন নাটক ঝুমুৰাৰ শ্ৰেণীত ধৰা নহয়?

(ছ) ভট্টদেৱে কাৰ আজ্ঞা অনুসৰি কথাত সাহিত্য ৰচনা কৰিছিল?

(জ) 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থখন শম্ভুনাথ প্ৰণীত কোনখন সংস্কৃত গ্ৰন্থৰ ওপৰত প্ৰতিষ্ঠিত?

২। চমু উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) 'উমাচল লিপি' আৰু 'ডুবি অনুশাসন' খোদিত কৰা ৰজা দুগৰাকীৰ নাম লিখা।

(খ) দুবিধ অনুষ্ঠানমূলক লোকগীতৰ নাম লিখা।

(গ) চৰ্যাপদসমূহৰ যি কোনো দুটি বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) অসমীয়া আৰু বাংলা ভাষাৰ উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হোৱা দুখন প্ৰাচীন গ্ৰন্থৰ নাম লিখা।

(ঙ) "একবাৰ হৰি বলো মন ৰসনা।
মানৱ দেহেৰ গৈৰৱ কৈবো না॥"

ইয়াত থকা 'ৰসনা' আৰু 'গৈৰৱ' শব্দ দুটিৰ অৰ্থ লিখা।

(চ) শংকৰদেৱে ৰচিত দুখন কাব্যৰ নাম লিখা।

BIKALI COLLEGE LIBRARY



(ছ) 'পাঞ্চালী বিবাহ' আৰু 'কথা-ৰত্নাৱলী' নামৰ গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।

(জ) দুখন অসমীয়া চৰিত-পুথিৰ নাম লিখা।

(ঝ) 'অসমৰ ৰণোদ্যম' পাঠ্যাংশ কোনে সম্পাদনা কৰা আৰু কোনখন বুৰঞ্জীৰ পৰা সংগ্ৰহ কৰা হৈছে?

(ঞ) 'হস্তীবিদ্যাৰ্ণৱ'ৰ উপৰিও আহোম ৰজাসকলৰ দিনত ৰচিত অন্য দুখন ব্যৱহাৰিক পুথিৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ জন্ম সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতামত

(খ) গোৱালপৰীয়া লোকগীত

(গ) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ জন্মখণ্ডৰ বিষয়বস্তু

(ঘ) হেম সৰস্বতীৰ কাব্যপ্ৰতিভা

(ঙ) ঝুমুৰাৰ বৈশিষ্ট্য

(চ) পাঁচালী সাহিত্য

(ছ) চৰিত-সাহিত্যৰ উদ্ভৱ আৰু বিকাশ

(জ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ গদ্যৰ বৈশিষ্ট্য

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×২=২০

(ক) 'কানাই পাৰ কৰা হে' লোকগীতটিৰ এটি বিশ্লেষণাত্মক আলোচনা কৰি ইয়াৰ মাজেৰে কামৰূপী লোকগীতৰ বৈশিষ্ট্য কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



(খ) মাধৱ কন্দলীৰ সাহিত্যিক প্ৰতিভাৰ পৰিচয় দি 'লংকাৰ বিৱৰণ' শীৰ্ষক পাঠ্যাংশৰ কথাখিনি নিজৰ ভাষাৰে বুজাই লিখা।

(গ) বৰগীত বুলিলে কি বুজা? বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঘ) বধকাব্য বুলিলে কি বুজা? ৰাম সৰস্বতী ৰচিত 'ভীম চৰিত' গ্ৰন্থত বধকাব্যৰ বৈশিষ্ট্য কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঙ) 'অসমৰ ৰণোদ্যম' শীৰ্ষক পাঠ্যাংশৰ মাজেৰে লাচিত বৰফুকনৰ নেতৃত্বত আহোম সৈন্যৰ বীৰত্ব কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।

★★★